চিৰপূজ্য দেউতা আৰু মাৰ হাতত

—ৰাজু

অঘৰী দিনৰ ডায়েৰী

**Aghori Dinor Diary** *Assamese poems written by Rajeev Baruah.*

---

প্ৰকাশিকা— ছন্দা ৰয়

প্ৰথম প্ৰকাশ— ১৯৮৫

প্ৰচ্ছদপদ— শ্ৰীধনঞ্জয় শৰ্মা।

মুদ্ৰক— প্ৰকাশ প্ৰিণ্টিং প্ৰেছ।

পৰিবেশনা — অংশুমান, ভৰলুমুখ,
গুৱাহাটী-৯

অৰিহণা— ৫.০০ টকা ( পকাবন্ধা )
৩.০০ টকা ( কেচাবন্ধা )

---

## পদূলিতে

'অঘৰী দিনৰ ডায়েৰী' মোৰ প্ৰথম কাব্য-প্ৰচেষ্টা। আকাশখন চাবলৈ শিকিছোঁ— মোৰ অতি আপোন মানুহৰ আকাশ। ইয়াতেই মই অনুভৱ কৰো এক নিকা আত্মীয়তা। সেয়েহে মোৰ আকাশ-মৃন্ময়-অনাবৃত। সান্নিধ্যৰ মধুৰেণুৰ স্পৰ্শত কাৰোবাক একান্তভাৱে পাবলৈ কাৰোবাক শ্ৰদ্ধাত মূৰ দোৱাবলৈ নতজানু হও। ক'ৰবাত জীৱনৰ সৰু সৰু ঘাটবোৰ পাৰহৈ নিজকে জুমি চাব খুজিছো— ভিন্নৰূপত। মোৰ অনুভৱত প্ৰবহমান এখন নদী জনগণৰ নদী। নদীৰ বুকুত বিহঁমেটেকাই ছাঁটি ধৰিলে কবিতাই সেই কথা নকলে আত্মদগ্ধ হওঁ। প্ৰতাৰণা প্ৰবলতাৰ সমাধি মোৰ দুৰ্বাৰ আশা।

'অঘৰী দিনৰ ডায়েৰী'ত লিপিবদ্ধ কৰিলো 'আজিৰ কবিতা', 'নৱদূত, 'পান্থপাদপ' আদিত প্ৰকাশিত কবিতাপুঞ্জ লগতে আৰু কিছু নতুন কবিতা। মোৰ হৃদয়ত ৰেখাপাত কৰা জীৱন আৰু জগতৰ এই তৈলচিত্ৰবোৰ শব্দৰ সাকোঁৰে পাৰ কৰি দিওঁতে, তেলপানী সংমিশ্ৰণ কৰোতে উজুঁটি খোৱাতো মোৰ অপটুতাৰে পৰিচয়।

### জন্ম লগ্নত

'অঘৰী দিনৰ ডায়েৰী'ক পোহৰৰ ৰূপালী সাজ পিন্ধোৱাত অকপটভাবে সহায়ৰ হাত আগবঢ়োৱা কবি বন্ধু বীৰেণ গগৈ লৈ হৃদয় উজাৰি জনালো কৃতজ্ঞতা। অনেক ব্যস্ততাৰ মাজতো ডঃ হীৰেণ গোহাঁই ছাৰে কবিতাবোৰৰ এটি সামগ্ৰীক মূল্যায়ন কৰি— আমাক দিলে এক অনন্য প্ৰেৰণা। ছাৰলৈ শ্ৰদ্ধা। লগতে কৃতজ্ঞ হৈ ৰলো প্ৰকাশ প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰী— শ্ৰীঅবনি কান্ত দাস তথা প্ৰেছ কৰ্ম্মীবৃন্দৰ ওচৰত। উদাৰ হৃদয়ৰ চিত্ৰশিল্পী শ্ৰীধনঞ্জয় শৰ্মাদালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা যাঁচিছো।

সেউজী কানন, — ৰাজীৱ বৰুৱা।
বৰহোলা।
তাং— ১৬।১১।৮৫ ইং

'অঘৰী দিনৰ ডায়েৰী'ৰ নেপথ্যত পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে জড়িত মান্যবৰেষু কবি-শিল্পী আৰু স্নেহভাজন বন্ধু বান্ধৱী সকল ঃ সৰ্বশ্ৰী অৱনী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ চৰকাৰ, হীৰেন্দ্ৰ নাথ দত্ত, ডঃ কবীন ফুকন, শঙ্কৰ শইকীয়া, অমূল্য সন্দিকৈ, ডাঃ অজিত বৰুৱা, দীপক গোস্বামী, নবীন বুঢ়াগোঁহাই, হীৰেশ্বৰ কোঁচ, লুটফা হানুম ছেলিমা বেগম, মনোজ গোস্বামী, অনুৰাগ, বীৰেণ, সপোনটি, সুবোধ শ্ৰীমন্ত মাধৱ, থানেশ্বৰ দা, বলিন, ৰাণা দা, অতুল দা, ৰনেন, ফুনু, ছন্দিতা, জয়শ্ৰী, অমিয়া, সুমলা, অনিল, ডন, দেবো, অৰূপ দা, সোনেশ্বৰ দা, ভাইটি; ৰঞ্জু, জয়ন্ত, সঞ্জীৱ আৰু দিগন্ত ।

# যুৱ কবি ৰাজীৱ বৰুৱা

ৰাজীৱ এজন সম্ভাৱনাসম্পন্ন যুৱক কবি। সেই সম্ভাৱনাৰ পৰিণতি কি হয় এতিয়াই কব নোৱাৰি ।

আমাৰ সমাজত এতিয়া সংস্কৃতি চৰ্চাৰ বাবে বাহ্যিক পৰিবেশ বেছ উত্তম । মঞ্চ, প্ৰচাৰ, অৰ্থ— সকলোবোৰ বাহ্যিক দিশতে অৱস্থা আগতকৈ ভাল। "ল'ৰাই কবিতা লেখে" বুলি শুনিলে অভিভাৱকৰ চকু নেমুটেঙাটোৰ মান আৰু নহয় । কিন্তু এইবোৰত আমাৰ ডেকা গাভৰু সকল উৎসাহিত হৈ উঠিলেও তাৰ পৰা কবিতাৰ লাভ বেছি হৈছে বুলি ভাবিব নোৱাৰি। কবি বিলাকৰ বাহিৰে কবিতাৰ কিতাপ কিনি পঢ়ে কোনে ? আলোচনীবোৰত কবিতাৰ নতুন পুথিৰ সমালোচনা কিমান সঘনে হয় ? নতুন কোনো কবিৰ বিষয়ে পাঠক মহলত কৌতুহল কিমান সজাগ ? আমাৰ জীৱনত কবিতাৰ প্ৰয়োজন কিমান ? এইবোৰ প্ৰশ্ন গমি চালেই বুজা যাব যে কবিতা এমুঠি মানুহৰ চখৰ বস্তু হৈয়েই আছে।

অহংশো নানা মহলৰ ঠিকাদাৰ সকলৰ দাবীৰ অন্ত নাই। চৰকাৰেতো সোপাধৰাৰ দৰে ডেকা বয়সতে সা সুবিধাৰে কবি শিল্পীৰ মূৰ কিনাৰ কৌশল লব ধৰিছে। প্ৰকাশৰ তাড়নাত ডেকা কবি শিল্পীয়ে ভাবিয়েই নাচায়, মূৰ এবাৰ গ'লে ওভটাই পোৱা টান। কম কথাত জ্যোতিপ্ৰসাদে শাসক শ্ৰেণীক চৰকাৰী সংস্কৃতিৰ "দুষ্কৃতি" আখ্যা দিছিলনে ? বামপন্থী মহল এটাই আকৌ কবিতাত "খাটি খোৱা মানুহৰ ঘামৰ গোন্ধ" বিচাৰে। সেই গোন্ধ উগ্ৰ হ'লে ওচৰ চপাই টান হব পাৰে যদিও এচাম ডেকাই পৰি-হৰি ঘামৰ গোন্ধৰ কছৰৎ কৰি আছে। এনেবোৰ পৰস্পৰ বিৰোধী টনা আঁজোৰাৰ মাজত কবিতাৰ ওষ্ঠাগতপ্ৰাণ অৱস্থা। শ্ৰীমান ৰাজীৱো এইসকল ফেৰিৱালাৰ চিঞৰ বাখৰত মাজে সময়ে বিভ্ৰান্ত। বহু হাত বাগৰি নিমজ কিন্তু পাতল হোৱা মুদ্ৰাৰ দৰে কেতবোৰ শব্দ তথা বাক্যাংশ তেওঁৰ কবিতাতো মাজে মাজে ধৰা পৰিছে। কিন্তু তেওঁৰ অমূল্য মূলধন আমাৰ গঞা ৰাইজৰ অতলস্পৰ্শী নিষ্পাপতা ঃ

আই,
আছোঁ মই
বং যঁহা মানুহৰ মাজত
কিবা এক সৰল সাহত।

আশা কৰিছোঁ সেই মূলধন তেওঁ নেহেৰুৱাব।

হীৰেণ ভট্টাচাৰ্য্যই এসময়ত কাটি দিয়া বাটেৰেই আগুৱাই ৰাজীৱ বৰুৱাই দুটামান সবল কবিতা লেখিছে। ভট্টাচাৰ্য্যৰ কবিতাত জনগণৰ উপস্থিতি কেতিয়াবা অভিনয়ৰ দৰে। কিন্তু ৰাজীৱইঁতৰ কবিতাত সেই উপস্থিতি সদায় সন্দেহাতীত। (অৱশ্যে ভট্টাচাৰ্য্যৰ ভাষাইহে তেওঁলোকৰ চকু মোকলাইছে)। "দুঃসময়", "মোৰ আৰু বহুতৰে", "তুমি গান ৰচিবলৈ ক'লা"—এইবোৰ সাৰ্থক কবিতা। কিন্তু অতি জঠৰ বাক্যবিন্যাসো মাজে মাজে চকুত পৰে—

শৰবিদ্ধ হ'ল মানৱতা।
বিধ্বস্ত হ'ল সভ্যতাৰ
আটকধুনীয়া ৰথ।

আকৌ উৰ্দু কবিতাৰ (শায়ৰি) বিহ্বল ৰোমান্তিকতাও হীৰেন ভট্টাচাৰ্য্যই অসমীয়া কবিতাত সুমুৱাই ভাল কৰিলে নে নাই, মাজে মাজে ভাবোঁ। "বাৰ্দ্ধক্য", "আত্ম-দৰ্শন" প্ৰভৃতি কবিতাত প্ৰেমৰ যি ভাব-বিহ্বল মূৰ্ত্তি ফুটি উঠিছে, সি আজিৰ জটিল জীৱনত কিছু পনীয়া যেনেই লাগে। ঠায়ে ঠায়ে ভাষাৰ অসংযম বা শৃংখলাহীনতাও পীড়াদায়ক। এই-বোৰ সত্ত্বেও কবিৰ পৰা আমি আশা কৰিব পাৰোঁ, যদিহে খ্যাতি আৰু প্ৰতিষ্ঠাৰ সুলভ মৰীচিকা নেওচি নিৰলস সাধনাত কবি নিৰত থাকে।

ভাষাৰ সঠিক ব্যৱহাৰ— ভাবৰ গভীৰ ক্ৰান্তিঃ কেনেকৈ ডেকা কবিৰ পৰা আমি আশা কৰিম, প্ৰবীণ সকলৰে খেলিমেলি যেতিয়া ইমান বেছি। বিধ্বস্ত অতীতৰ ধ্বংস-স্তূপত নিজান হাবিৰ মাজত ঢোঁৰাকাউৰীৰ দৰে গলগলীয়া মাতেৰে কোনোৱে উপনিষদৰ মকৰধ্বজ বিলাই আছে? শুনে কোনে? আজিৰ জীৱনৰ সকলো প্ৰত্যাহ্বান যি নামানে, তাৰ বাবে অতীত এক অভয়াৰণ্য মাত্ৰ।

ডঃ হীৰেণ গোঁহাই
১৩।১১।৮৫ ইং

## অনাবৃত আকাশ

আকাশৰ তলতেই
মোৰ অব্যাহত বাস ।
দগ্ধ হলেই
আৰণ্যক ছাঁ
জন্ম হ'ব এটি
হিৰন্ময় হেঁপাহ ।
বেচি পৰ নাই
জয় ঘণ্টা বাজিব
আকাশলৈ চোৱা
মানুহৰ খোজত ।

## তুমি সাৰ পোৱা হ'লে

বৰষুণজাক পৰি
থাকোতে,
শেৱালিৰ পাহিবোৰ
বোৱাৰী ৰূপত
সাজোতে ;
তুমি সাৰ পোৱা হ'লে !
আপোন মগ্নতাত
জন্ম লোৱা
হে, মোৰ উত্তাল কৈশোৰ
মোৰ বুকুৰ মজিয়াত
জক্‌মকাই থকা
ৰঙা গোলাপ পাহি
সঘনে সৰি পৰে
দুখৰ দোকোলটঁকা বানত ।
একুৰি গছৰ শিপাত
জুই লাগে ;
পুৰি ছাঁই হয়
মোৰ সেউজ সংবাদ ।
বৰষা নমাৰ পথত
শৰত অহাৰ পৰত
তুমি সাৰ পোৱা হ'লে
হে, মোৰ উত্তাল কৈশোৰ ।

## মোৰ কবিতা

কবিতা মোৰ
তেজাল প্ৰতিশ্ৰ‌ুতিৰ
নিপুণ প্ৰকাশ ।
বুকুৰ উমেৰে
আৰু শ্ৰমৰ ঘাঁমেৰে সিক্ত
সুৱৰ্ণ সন্ধান ।
কবিতাই মোৰ
সুশীল অন্তৰৰ
মান অভিমান
দিন
ৰাতি
নিটোল প্ৰভাত ।

# সূৰ্য

সূৰ্যটো
নামি আহে
সৰু টিলাটোৰ পৰা
দেহত এটি উৰুখা পঁজা
হাতত জোলোঙা
পাহোৱাল আশাৰ
সূতাৰে গঁথা।
নামি আহে
ফুটপাথৰ ৰজা !
হাতৰ সাবথিক সোধে,
"মৌন সখি মোৰ
ধনৰ বজাৰলৈ
কিমান দূৰ বাট ?"
লৌহ গৰ্বৰ
দুৱাৰে দুৱাৰে
প্ৰবহমান পাণ্ডুৰ মুখ।
প্ৰহৰ কিমান ?
দ্বিতীয় নে তৃতীয় ?
তুঙ্গত উঠিল
দীপক ৰাগৰ কোৰাচ।
শুনিয়োক সৰ্বজন
দূতৰ মুখত এটি
উচ্ছল সংবাদ ঃ
আজিকালি হেনো
পথে ঘাটে
চিপ্‌লৈ ওলমি থাকে
সূৰুয বৈৰী দানৱী মাত।

## দুঃসময়

আছে নে আই
বকুল জোপাই
তোৰ হৃদয় জুৰাই ?
এদোন ধানৰ বাবে
( তোৰ ) এবুকু বেজাৰ ;
সময়ৰ বাকৰিত
নাচে দিক্‌চৌ বজাৰ ৷

## হাট বেহাই পথলৈ আহ্

গৰকি যা, গৰকি যা হে, সময়
জন-অৰণ্যত
চেৰেলা কুকুৰৰ স'তে
উচ্ছিষ্ট টনা
সমাজবাদৰ সুলভ সাক্ষী।
গৰকি যা
শত-নিবনুৱাৰ ফটা জোতাৰ
চিগা চামৰাৰ দ'ম।
পিতৃহীন সমাজৰ
ৰঙীন পৰ্দাত
ভাহি উঠে
আজি ভস্মাসুৰ।
ফুটপাথৰ আলহী।
জীৱিত নে মৃত?
জগাকাঠ।
খৰিকটীয়া, এইবেলি
হাট বেহাই পথলৈ
ওলাই আহ্
জান নে তই ?
তোৰ উকথা পজাঁতে
খন্দা হৈছে
প্ৰবহমান দুখৰ জলাশয়।

## বিৱৰ্তন

দোকমোকালিতে
সাৰ পাই
চকু দুটা
গুজি দিলো
জ্বলি থকা
ফুলৰ পাঁহিত ।
মোৰ সেউজ উপত্যকা জুৰি
গভীৰ প্ৰত্যয়েৰে
নামি আহে
এজাক শান্তিৰ শৰালি ।

## প্ৰেম ইত্যাদি......

( ১ )

সোণালী গছৰ পৰা
সৰি পৰে
স্মৃতি ;
উকা পথাৰৰ তিমিক্-ঢামাক্
এগছি ৰাতিৰ
চাকি ।

( ২ )

হাতত তুলি দিলা
গোপনে আহি
মধুৰ বাঁহী ;

( ৩ )

বন্ধো! ক'ত উজাগৰী নিশা
হৃদয়ত আজি অনল শিখা
কুলে জানো
নীড়হাৰা পখীৰ প্ৰভাতী আশা ?

## সমৰ্পণ

আজিকালি প্ৰায়ে
মই মোক হত্যা কৰো
খণ্ড খণ্ড কৰি
বিলাই দিও
নিৰোগী সংবাদ।
সেয়েহে
অগণন পদচালকৰ
মই এটি
সম্মুখ-দৃষ্টি ;
খৰিকটীয়া হাতৰ
চফল— চুতি।
অথবা পথৰুৱা
কৃষকৰ এটি
তীৰ্যক চাৱনি।
খণ্ড খণ্ড কৰি
বিলাই দিও
মই মোক
যত
ৰৰষুণৰ বাবে
ডাৱৰৰ স'তে
যুজিব লাগে ;
যেনেকৈ
পছুবোৰে
উত্তপ্ত বতাহৰ স'তে
ৰণচালি জুৰে। ●

## অঘৰী দিনৰ ডায়েৰী

তুমি সুধিলা
মোৰ দিনলিপিৰ
এখিলা পাত কিয়
ক'লা চিয়াঁহীৰে
লিখো
সহজ উত্তৰ ঃ
আজিকালি
কাপ ললেই শুনো
জৰৌৰৌৱা পঁজা জুৰি
অঘৰী ৰাতিৰ শোক ।
জীৱনটো
সংস্কৃত-সংলাপ
নহয় যে মই
অনৰ্থতাত ডুবাই দিম
অমোঘ বাণী ।
জানা,
দীনতাৰ ৰাতিবোৰ
সদায়ে ঘনীভূত
অনাহাৰী আজাৰত । ●

# তুমি গান ৰচিবলৈ কলা

( কবি বন্ধু—
শ্ৰীবীৰেণ গগৈৰ হাতত )

কবিতাৰে
হৃদয়েৰে
তুমি এটি
গান ৰচিবলৈ কলা ।
কবিতাৰে
হৃদয়েৰে
তুমি জীয়াই
তুলিলা ভগ্নাংশ আশা ।
আজি জালুকবাৰীৰ
কোঁহে কোঁহে
আন্ধাৰৰ হুলাহুল ;
বিক্ষিপ্ত চিগাৰেটৰ
ধোঁৱাৰে ভৰে
সতীৰ্থৰ চিন্তাৰ কোঠা ।
জীৱনৰ গান শুনি
ইয়াত টোপনি যায়
সকলো পান্থ-পখী ।
মাথো সাৰে থাকো
তুমি আমি
উজাগৰী অঘৰী কবি । ●

## চক্ৰাকাৰ পথত

পাৰ হৈ গ'ল
একুৰি গছৰ শাৰী
নিৰ্দোষ
স্বপ্নাতুৰ
উদ্বেল ..... ।
জানো, ইয়াৰ পৰা
দূৰৈত নহয় পোহৰৰ ঘৰ ।
এতিয়া চক্ৰাকাৰ
পথত মই
আৰু মৌনতা ।
ৰোগশয্যাত মোৰ সহচৰ
দৃষ্টি ভগ্নতাত তুমি
মৰুভূৰ মাজত মই
আঃ
ব্ৰেচিচ্ ক'ত
ব্ৰেচিচ্ ? ●

## বাৰ্দ্ধক্য

তেওঁৰ বাবে
প্ৰেমৰ বাতৰি
বৈ যোৱা
দিনৰ সুৰভি
কেতেকী ফুলৰ দৰে
ৰাশি ৰাশি
সুগন্ধি হাঁহি।
ব্ৰতাহত কথা ভাঁহে
সপোনত হেনো
তাই আহে ;
স্মৃতি যেন
নাহৰৰ পাত
কুম্ কুম্ লৰে।
প্ৰেৰণাৰ ফুলত
জ্বলে দীপাৱলী
পোহৰ হয়
বয়সে গৰকা ৰাতি।
তেওঁৰ বাবে
প্ৰেমৰ বাতৰি
বৈ যোৱা
দিনৰ সুৰভি......। ●

## আত্ম-দৰ্শন

বিক্ষিপ্ত চিন্তাৰ টুকুৰা
এটি উৰি আহি মোক
ক'লে — গম্ভীৰতা বিচাৰি আন।
কবৰ খান্দি থকাৰ পৰা
মই নীৰৱে মূৰ তুলি চালো।
জোনাকী দুটা তিৰ্‌বিৰাই
উঠিল। দলিয়াই দিলো
কবৰৰ মাটি
উৰি আহিল
এজাক প্ৰজাপতি;
পাখীবোৰ যেন শুধবগা
উকা কাগজ।